# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 22-11-2024 **Time :** 0900 Hrs

## *Assamese Morning Bulletin*
## *Headlines*
-----------------------

১। চৰকাৰী আঁচনিৰ হিতাধিকাৰীসকলক প্ৰাপ্য সাহায্য ক্ষিপ্ৰতাৰে আদায় দিবলৈ ৰাজ্যৰ সকলো জিলাৰ আয়ুক্ত মুখ্যমন্ত্ৰীৰ নিৰ্দেশ।

২। ৰাজ্যৰ বঙাইগাঁও, ছিদলী, চামগুৰি, বিহালী আৰু ধলাই বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ ভোটগণনাৰ প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ।

৩। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ বিশ্ব ঐতিহ্য সপ্তাহ উদযাপনৰ অংশ হিচাপে চৰাইদেউ মৈদাম পৰিদৰ্শন।

৪। নগাঁও জিলাত পিঞ্জৰাবদ্ধ কৰা বাঘটোক  শিলগুটি দলিয়াই আহত কৰাৰ ঘটনা সন্দৰ্ভত ৯ জন লোকক আটক।

আৰু

৫। ভাৰত আৰু অষ্ট্ৰেলিয়াৰ মাজৰ বোৰ্ডাৰ-গাভাস্কাৰ ট্ৰফীৰ বাবে পাঁচখন খেলৰ টেষ্ট শৃংখলাৰ প্ৰথমখন খেল পাৰ্থত আৰম্ভ।

oooooooo

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই চৰকাৰী আঁচনিৰ হিতাধিকাৰীসকলক তেওঁলোকৰ প্ৰাপ্য সাহায্য ক্ষিপ্ৰতাৰে আদায় দিবলৈ ৰাজ্যৰ সকলো জিলাৰ আয়ুক্তসকলক নিৰ্দেশ দিছে। মহিলা উদ্যমশীলতা অভিযান সন্দৰ্ভত আলোচনা কৰাৰ উদ্দেশ্যে কালি ভিডি' কনফাৰেন্সিং ব্যৱস্থাৰে অনুষ্ঠিত এখন বৈঠকত অংশগ্ৰহণ কৰি তেওঁ ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ হিতাধিকাৰীসকলক আৰ্থিক সাহায্য আগবঢ়োৱাৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ জিলাৰ আয়ুক্তসকলক আহ্বান জনায়।

মুখ্যমন্ত্ৰীগৰাকীয়ে এই অভিযানৰ কাম-কাজ সন্দৰ্ভত আয়ুক্তসকলৰ পৰা বুজ লোৱাৰ লগতে হিতাধিকাৰী মহিলা উদ্যমীসকলে যাতে ১০ হাজাৰ টকাকৈ লাভ কৰিব পাৰে সেই কথা সুনিশ্চিত কৰিবলৈকো নিৰ্দেশ দিছে। উল্লেখযোগ্য যে, মহিলা উদ্যমশীলতা অভিযানৰ জৰিয়তে ৰাজ্য চৰকাৰে মহিলা আত্মসহায়ক

গোটসমূহক গ্ৰাম্য ক্ষুদ্ৰ উদ্যোগী হিচাপে গঢ়ি তোলাৰ লক্ষ্য গ্ৰহণ কৰিছে। অহা মাহৰ ভিতৰত আঁচনিখনৰ সকলো আনুষ্ঠানিকতা সম্পূৰ্ণ কৰিবলৈ ড০ শৰ্মাই নিৰ্দেশ দিয়ে।

তদুপৰি বান ক্ষতিগ্ৰস্ত লোকসকলক শীঘ্ৰে সাহায্য প্ৰদানৰ ব্যৱস্থা কৰিবলৈকো মুখ্যমন্ত্ৰীগৰাকীয়ে নিৰ্দেশ দিয়ে। কালি এই বৈঠকত শিক্ষামন্ত্ৰী ড০ ৰণোজ পেগু, মুখ্য সচিব ড০ ৰবি কোটাৰ উপৰি ৰাজ্য চৰকাৰৰ শীৰ্ষ বিষয়াসকল উপস্থিত আছিল।

0000000

ৰাজ্যৰ বঙাইগাঁও, ছিদলী, চামগুৰি, বিহালী আৰু ধলাই বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ ভোটগণনাৰ বাবে প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈ উঠিছে। সংশ্লিষ্ট জিলা প্ৰশাসনসমূহে কাইলৈৰ  ভোটগণনাৰ বাবে ভোটগণনা কেন্দ্ৰসমূহত কটকটীয়া নিৰাপত্তাৰ ব্যৱস্থা কৰিছে।

এই সমষ্টিকেইটাৰ উপ-নিৰ্বাচনৰ বাবে মুঠ ৩৪ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। ধলাই আসনৰ বাবে ৮ গৰাকী, চামগুৰিৰ বাবে ১১ গৰাকী, চিদলীৰ বাবে ৩ গৰাকী, বিহালী আসনখনৰ বাবে ৪ গৰাকী আৰু বঙাইগাঁও সমষ্টিত ৮ গৰাকী প্ৰাৰ্থী প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হৈছে।

0000000

কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল কালি বিশ্ব ঐতিহ্য সপ্তাহ উদযাপনৰ অংশ হিচাপে চৰাইদেউ মৈদামত উপস্থিত হৈ প্ৰত্নতত্ব বিভাগৰ বিষয়াসকলৰ পৰা মৈদামৰ বিভিন্ন দিশ সম্পৰ্কে বুজ লয়।

মৈদামক্ষেত্ৰত উপস্থিত হৈ কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে মৈদামথলীৰ চৌহদত থকা স্থায়ী চাও-চি ৰেন গৃহত বন্তি প্ৰজ্বলন কৰাৰ লগতে টাই-মলুং পণ্ডিতৰ মন্ত্ৰোচ্চাৰণৰ মাজতে আহোম স্বৰ্গদেউসকলৰ পূৰ্বপুৰুষক স্মৰণ কৰি শ্ৰদ্ধা নিবেদন কৰে। শ্ৰী সোণোৱালে চৰাইদেউৱে বিশ্ব ঐতিহ্য ক্ষেত্ৰ হিচাপে স্বীকৃতি লাভ কৰাৰ বাবে আনন্দ প্ৰকাশ কৰাৰ লগতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক ধন্যবাদ জ্ঞাপন কৰে। মন্ত্ৰীগৰাকীৰ সৈতে ভ্ৰমণকালত বিধায়ক ধৰ্মেশ্বৰ কোঁৱৰ, অসম পৰ্যটন উন্নয়ন নিগমৰ অধ্যক্ষ ঋতুপৰ্ণ বৰুৱাৰ উপৰি আন কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে। উল্লেখযোগ্য যে, চৰাইদেউক বিশ্ব ঐতিহ্যক্ষেত্ৰ হিচাপে স্বীকৃতি লাভৰ বাবে নথি-পত্ৰ যুগুত কৰা ড° কে চি ন'ৰিয়েললৈ টাই-আহোম যুৱ ছাত্ৰ পৰিষদে চলিত বৰ্ষৰ লাচিত বৰফুকন বঁটা ঘোষণা কৰিছে।

0000000

অসমৰ মীন পালন খণ্ডই বিগত ১০ বছৰত যথেষ্ট প্ৰগতি লাভ কৰিছে আৰু ব্যৱসায়িক মাছ পালনৰ ক্ষেত্ৰত পঞ্চম স্থান দখল কৰিবলৈ সমৰ্থ হৈছে। ৰাজ্যৰ মুখ্য সচিব ড০ ৰবি কোটাই কালি দিছপুৰৰ লোকনিৰ্মাণ বিভাগৰ সন্মিলন প্ৰেক্ষাগৃহ আৰু প্ৰশিক্ষণ কেন্দ্ৰৰ চৌহদত আয়োজিত বিশ্ব মীন পালন দিৱসত অংশগ্ৰহণ কৰি এইদৰে প্ৰকাশ কৰে। তেওঁ কয়, যে ৰাজ্যিক মীন বিভাগে অসমক দেশৰ অগ্ৰণী মৎস্য ৰপ্তানিকাৰী ৰাজ্যৰূপে পৰিগণিত কৰাত সহায় কৰিব পাৰে।

বিশ্ব মীন দিৱস উপলক্ষে কালি নতুন দিল্লীত অনুষ্ঠিত বিশেষ কাৰ্যসূচীত অসমৰ দৰং জিলাই মীন ক্ষেত্ৰত হিমালয় পাদদেশ আৰু উত্তৰ পূৰ্বাঞ্চলৰ শ্ৰেষ্ঠ জিলাৰ বঁটা লাভ কৰে। কেন্দ্ৰীয় চৰকাৰৰ মীন, পশুপালন আৰু দুগ্ধ উৎপাদন ইত্যাদি বিভাগৰ মন্ত্ৰী ৰাজীৱ ৰঞ্জন সিঙৰ পৰা দৰং জিলাৰ মীন উন্নয়ন বিষয়া বিপুল খাটনীয়াৰে

আজি এই বঁটা আনুষ্ঠানিকভাৱে গ্ৰহণ কৰে। এই অনুষ্ঠানত বিভাগটোৰ কেন্দ্ৰীয় ৰাজ্যিক মন্ত্ৰীদ্বয় জৰ্জ কুৰিয়ান আৰু এছ্ পি ৰাঘেলো উপস্থিত আছিল।

বিগত বছৰটোত জিলাখনত কেন্দ্ৰীয় পুঁজিৰ ব্যৱহাৰ, কেন্দ্ৰীয় অৰ্থসাহায্যৰ প্ৰধানমন্ত্ৰী মৎস্য সম্পদ যোজনাৰ অধীনত প্ৰযুক্তিগতভাৱে মাছৰ উৎপাদনেৰে জিলাখনক স্বনিৰ্ভৰশীল কৰা, থলুৱা প্ৰজাতিৰ মাছৰ সংৰক্ষণ আৰু ইয়াৰ পোনাৰ বাণিজ্যিক উৎপাদনৰ লক্ষ্যৰে আন্তঃৰাষ্ট্ৰীয় গৱেষণা প্ৰতিষ্ঠানৰ কাৰিকৰীৰ সহযোগত কৃত্ৰিম প্ৰজননেৰে মাছৰ পোনা উৎপাদন আদিৰ ক্ষেত্ৰত লোৱা পদক্ষেপৰ বাবে জিলাখনে এই বঁটা লাভ কৰিবলৈ সক্ষম হয়।

০০০০০০০

কাজিৰঙাত অহা ২৭ নৱেম্বৰৰ পৰা দুদিনীয়া কাৰ্যসূচীৰে দ্বাদশ আন্তঃৰাষ্ট্ৰীয় পৰ্যটন মেলা অনুষ্ঠিত হ'ব। পৰ্যটন মেলাৰ লগত সংগতি ৰাখি কেইবাখনো আলোচনাসত্ৰ আৰু বৈঠক অনুষ্ঠিত হ'ব। অনুষ্ঠানত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা, অৰুণাচল প্ৰদেশৰ মুখ্যমুন্ত্ৰী পেমা খাণ্ডু, কেন্দ্ৰীয় পৰ্যটন মন্ত্ৰী গজেন্দ্ৰ সিং শেখাৱট, কেন্দ্ৰীয় বন্দৰ জাহাজ আৰু জলপথ দপ্তৰৰ মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, কেন্দ্ৰীয় বৈদেশিক পৰিক্ৰমা আৰু হস্ততাঁত দপ্তৰৰ ৰাজ্যমন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাকে ধৰি কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে অংশ গ্ৰহণ কৰিব। উল্লেখযোগ্য যে অতিথিসকলে ২৬ নৱেম্বৰত ডিব্ৰুগড় বিমানবন্দৰত অৱতৰণ কৰাৰ পাছত তেওঁলোকক বিশ্ব ঐতিহ্যক্ষেত্ৰ চৰাইদেউ মৈদাম পৰিদৰ্শন কৰিবলৈ লৈ যোৱা হ'ব। কাজিৰঙালৈ ৰাওনা হোৱাৰ পূৰ্বে তেওঁলোকে শিৱসাগৰৰ ঐতিহাসিক ৰংঘৰো দৰ্শন কৰিব।

পৰ্যটন মন্ত্ৰালয়ৰ সচিব ভি বিদ্যাৱতীয়ে ২৭ নৱেম্বৰৰ পুৱা অনুষ্ঠানত আদৰণি ভাষণ দিব। পৰ্যটন মেলাৰ লগত সংগতি ৰাখি কাজিৰঙাৰ কঁহৰাৰ সভাগৃহত উত্তৰ-পূৰ্বাঞ্চলৰ ৮ খন ৰাজ্যৰ চৰকাৰৰ তৰফৰ পৰা প্ৰত্যেকখন ৰাজ্যৰ পৰ্যটন ব্যৱস্থাক উপস্থাপন কৰাৰো দিহা কৰা হৈছে। দ্বিতীয় দিনা মেলাত অংশগ্ৰহণ কৰিবলৈ আহিবলগীয়া সন্মানীয় অতিথি তথা প্ৰতিনিধিসকলে কাজিৰঙা বনাঞ্চলত জীপ ছাফাৰী কৰাৰ লগতে কাজিৰঙা ৰাষ্ট্ৰীয় অৰ্কিড আৰু জৈৱ বৈচিত্ৰ উদ্যান আৰু হাতীখুলি চাহ বাগিচা ভ্ৰমণ কৰিব। বিয়লি ৰাজ্য চৰকাৰৰ উদ্যোগত সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হৈছে বুলি উদ্যোক্তাসকলে জনাইছে।

০০০০০০০

অসম প্ৰকাশন পৰিষদ আৰু সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাৰ যৌথ উদ্যোগত অহা ২৭ ডিচেম্বৰৰ পৰা ১২ দিনীয়া কাৰ্যসূচীৰে গুৱাহাটী খানাপাৰাৰ পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰত অসম গ্ৰন্থমেলা অনুষ্ঠিত হ'ব। নুনমাটিৰ পৰা আমবাৰীলৈকে উৰণ সেতুৰ নিৰ্মাণৰ কাম চলি থকাৰ বাবে চানমাৰিত হৈ থকা যান-জঁটৰ পৰিপ্ৰেক্ষিতত অসম অভিযান্ত্ৰিক প্ৰতিষ্ঠানৰ খেলপথাৰৰ পৰিৱৰ্তে বিকল্প স্থান হিচাপে খানাপাৰাত এইবাৰৰ অসম গ্ৰন্থমেলা অনুষ্ঠিত হ'ব বুলি প্ৰকাশন পৰিষদৰ সচিব প্ৰমোদ কলিতাই এটা বিবৃতিযোগে জানিবলৈ দিছে। ২৬ জানুৱাৰীৰ গণ্যৰাজ্য দিৱসৰ কাৰ্যসূচীৰ বাবে নিৰাপত্তাজনিত কাৰণত খেলপথাৰখন ব্যৱহাৰৰ অনুমতি প্ৰদানৰ ক্ষেত্ৰত কিছু অসুবিধাৰ সৃষ্টি হৈছিল যদিও শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৰ তৎপৰতাত খেলপথাৰখনত গ্ৰন্থমেলা অনুষ্ঠিত কৰিবলৈ অনুমতি লাভ কৰা হয়। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্দেশত গৃহ বিভাগে পূৰ্বৰ নিৰ্দিষ্ট সময়তকৈ দুটা দিন আগুৱাই গ্ৰন্থমেলাখন অনুষ্ঠিত কৰিবলৈ অনুমতি প্ৰদান কৰে। প্ৰকাশন প্ৰতিষ্ঠান তথা অন্যান্য বিপণীৰ বাবে ইতিমধ্যে আবেদন পত্ৰ মুকলি কৰা হৈছে।

গুৱাহাটীৰ বামুণীমৈদামত থকা অসম প্ৰকাশন পৰিষদৰ কাৰ্যালয় তথা পাণবজাৰৰ যশোৱন্ত পথৰ সৰস্বতী মাৰ্কেটত থকা সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাৰ কাৰ্যালয় আৰু www.publicationboardassam.com ৱেবছাইটৰ পৰা আবেদন সংগ্ৰহ কৰিব পাৰিব। সংগৃহীত আবেদন পত্ৰসমূহ পূৰণ কৰি অহা ৩ ডিচেম্বৰৰ ভিতৰত জমা দিব লাগিব। অসম প্ৰকাশন পৰিষদৰ সচিব প্ৰমোদ কলিতাই জনোৱা অনুসৰি অসমৰ লগতে দেশ-বিদেশৰ বহুকেইটা আগশাৰীৰ প্ৰকাশন গোষ্ঠীয়ে ইতিমধ্যে অসম গ্ৰন্থমেলা, গুৱাহাটীত অংশগ্ৰহণৰ বাবে যোগাযোগ কৰিছে।

০০০০০০

নগাঁও জিলাৰ কলিয়াবৰৰ সোণাৰি-কামাখ্যা গাঁৱৰ দাঁতিকাষৰীয়া অঞ্চলৰ পৰা কালি পিঞ্জৰাবদ্ধ কৰা বাঘটোক কলং নৈৰ পাৰত আশ্ৰয় লৈ থকা অৱস্থাত শিলগুটি দলিয়াই আহত কৰাৰ ঘটনা সন্দৰ্ভত আৰক্ষীয়ে যোৱানিশা ৯ জন লোকক আটক কৰে। ঘটনাটোৰ ভিডিঅ' ফুটেজৰ আধাৰত চিনাক্ত কৰা এনে একাংশ লোকৰ বাসগৃহত কালি আৰক্ষীয়ে অভিযান চলায়। বাঘটোক আক্ৰমণ কৰা ঘটনাৰ সৈতে জড়িত থকা বুলি আৰক্ষীয়ে চিনাক্ত কৰা লোককেইজন হ'ল- জয়ন্ত সেন, বাহাদুৰ ছাহানী, সন্তোষ গৌৰ, দুৰ্গা গোড়, নিখিল ছাহানী, ভোলা ছাহানী আৰু নৰেশ ছাহানী। এই আটাইকেইজন লোকেই জখলাবন্ধা এলেকাৰ বাসিন্দা। আনহাতে বিকাশ মাহাতো, সম্ভু গোড় আৰু মহম্মদ আৰবাজ কুৰেছী নামৰ আন তিনিজন লোককো আৰক্ষীয়ে সোধা-পোছা কৰি আছে। ঘটনাটোৰ সৈতে জড়িত বুলি প্ৰমাণিত হোৱা লোকৰ বিৰুদ্ধে আইনী কাৰ্যব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি আৰক্ষীয়ে প্ৰকাশ কৰিছে।

আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে, বিগত প্ৰায় ছমাহ ধৰি অঞ্চলটোত বাঘৰ মুক্ত বিচৰণত অঞ্চলবাসীৰ মাজত ত্ৰাসৰ সৃষ্টি হোৱাৰ পাছত বন বিভাগে কালি এটা বাঘক পিঞ্জৰাবদ্ধ কৰে। বাঘটোৱে চকু আৰু ভৰিত আঘাত পোৱা বুলি অঞ্চলবাসীয়ে প্ৰত্যক্ষ কৰিছিল। পাছত বাঘটোক চিকিৎসাৰ বাবে কাজিৰঙা বন্যপ্ৰাণী উদ্ধাৰ আৰু পুনৰ সংস্থাপন কেন্দ্ৰলৈ নিয়া হয় বুলি আকাশবাণীৰ নগাঁৱৰ সংবাদদাতাই জানিবলৈ দিছে।

০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে কাইলৈ নিশা ৮ বাজি ২ মিনিটত বিধানসভাৰ উপ-নিৰ্বাচন আৰু দুখন ৰাজ্য বিধানসভাৰ নিৰ্বাচনৰ ফলাফল সম্পৰ্কত এটা বিশেষ দৃষ্টিপাত অনুষ্ঠান প্ৰচাৰ কৰিব। অনুষ্ঠানত নিৰ্বাচনী ফলাফলৰ পৰ্যালোচনা আগবঢ়াব জ্যেষ্ঠ সাংবাদিক ৰণেন কুমাৰ গোস্বামী আৰু সুশান্ত তালুকদাৰে। এই অনুষ্ঠানটোৰ আঁত ধৰিব ৰাজীৱ লোচন বৰঠাকুৰে। অনুষ্ঠানত আকাশবাণীৰ সংবাদদাতাসকলে সমষ্টিভিত্তিত নিৰ্বাচনৰ ফলাফল সম্পৰ্কে ষ্টুডিঅ'ত থকা আলোচকসকলৰ সৈতে যুক্ত হ'ব। এই অনুষ্ঠান আমাৰ ইউটিউব চেনেল আৰু নিউজ অন এয়াৰ এপতো শুনিব পাৰিব।

০০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ অংশকালীন ঘোষকৰ লিখিত পৰীক্ষা অহা দেওবাৰে কটন বিশ্ববিদ্যালয়ৰ নতুন কলা ভৱনত অনুষ্ঠিত হ'ব। পৰীক্ষাৰ প্ৰৱেশপত্ৰ প্ৰাৰ্থীসকললৈ ইতিমধ্যে ই-মেইলযোগে প্ৰেৰণ কৰা হৈছে। প্ৰৱেশ পত্ৰ নোপোৱা প্ৰাৰ্থীসকলে আজিৰ ভিতৰত কেন্দ্ৰলৈ আহি ব্যক্তিগতভাৱে প্ৰৱেশপত্ৰ সংগ্ৰহ কৰিব পাৰিব বুলি আকাশবাণীৰ এখন বিজ্ঞপ্তিত কোৱা হৈছে।

০০০০০০০

গোৱাত চলি থকা ৫৫ সংখ্যক ভাৰত আন্তৰ্জাতিক চলচ্চিত্ৰ মহোৎসৱৰ আজি তৃতীয় দিন। গোৱাত উপস্থিত থকা বিশিষ্ট চলচ্চিত্ৰ সমালোচকে নয়ন প্ৰসাদে খন্তেক সময়ৰ আগতে আমালৈ এই প্ৰতিবেদন পঠিয়াইছে।

**-ভইচ-**

ধন্যবাদ নয়ন প্ৰসাদ। চলচ্চিত্ৰ মহোৎসৱৰ পৰৱৰ্তী দিন কেইটাৰ বা-বাতৰি আপোনাৰ পৰা লৈ থাকিম।

০০০০০০০

ভাৰতীয় উদ্যোগপতি গৌতম আদানীৰ বিৰুদ্ধে সৌৰশক্তি ক্ৰয়ৰ ক্ষেত্ৰত উৎকোচ প্ৰদান আৰু প্ৰৱঞ্চনা অভিযোগত আমেৰিকাৰ আইন বিভাগ আৰু দেশখনৰ ছিকিউৰিটী এণ্ড এক্সেঞ্জ কমিছনে অভিযুক্ত কৰাৰ বাতৰিটোক আজি সকলোবোৰ কাকতে প্ৰথম পৃষ্ঠাত মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

এই বাতৰি সংবাদ মাধ্যমত প্ৰকাশ পোৱাৰ পাছতে আদানী গোষ্ঠীৰ শ্বেয়াৰৰ মূল্য যথেষ্ট নিম্নগামী হোৱাৰ বাতৰিকো কাকতসমূহে গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে। বাতৰিটো দা আছাম ট্ৰিবিউন, দৈনিক অসম, আমাৰ অসম, দৈনিক জনমভূমি, নিয়মীয়া বাৰ্তাকে ধৰি গুৱাহাটীৰ পৰা প্ৰকাশিত প্ৰায় আটাইবোৰ বাতৰি কাকতে প্ৰথম পৃষ্ঠাত গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে।

উত্তৰ পশ্চিম পাকিস্তানত বৃহস্পতিবাৰে যাত্ৰী কঢ়িয়াই অনা কেইবাখনো বাহনক উগ্ৰপন্থীয়ে লক্ষ্য কৰি লোৱাত কমেও ৫০ জন লোক নিহত হোৱাৰ লগতে ২০ আহত হয়। এই বাতৰিটো দা আছাম ট্ৰিবিউন কাকতে প্ৰথম পৃষ্ঠাত বক্স বাতৰি হিচাপে প্ৰকাশ কৰিছে।

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই বৃহস্পতিবাৰে লোকসেৱাৰ ভৱনৰ থকা নিজৰ কাৰ্যালয়ৰ পৰা সকলো জিলা উপায়ুক্ত সৈতে ভিডিঅ' কনফাৰেন্স অনুষ্ঠিত কৰাৰ সন্দৰ্ভত এটা বাতৰিক দি ছেণ্টিনেল কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

নগাঁও জিলাৰ কলিয়াবৰত পিঞ্জৰাবদ্ধ কৰা বাঘটোক কলং নৈৰ পাৰত আশ্ৰয় লৈ থকা অৱস্থাত শিলগুটি দলিয়াই বাঘটোক আহত কৰা সন্দৰ্ভত এটা বাতৰি আমাৰ অসম কাকতে মানুহৰ নৃশংসতাত বিপন্ন বন্যপ্ৰাণী ঃ শিল দলিয়াই, ছেল্ফী তুলি বনৰজাক হাৰাশাস্তি শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। একেখন কাকতে ভাৰত আৰু অষ্ট্ৰেলিয়াৰ মাজৰ পাৰ্থত আৰম্ভ হোৱা খেলক লৈ এটা বাতৰিক প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

হিংসাত দগ্ধ মণিপুৰৰ ইম্ফল উপত্যকাত ২৩ নৱেম্বৰ পৰ্যন্ত সকলো বিদ্যালয়, মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয় বন্ধ থকাৰ বাতৰিটো দৈনিক অগ্ৰদূত কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

অসম বিধানসভাৰ আন্তঃগাঁথনিত নতুন আয়তন সংযোগ কৰি নিৰ্মাণ হোৱা নিয়ন্ত্ৰণ কক্ষ, কেফেটেৰিয়া, ডিজিটেল কৰিডৰ ইত্যাদিৰ শুভ উদ্বোধন কৰা বাতৰিটো অসমীয়া খবৰ কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। একেটা বাতৰিকে দৈনিক অসম কাকতে ডিজিটেল ৰূপান্তৰৰ যাত্ৰাত সবল খোজ, মুখ্যমন্ত্ৰী ড০ শৰ্মা শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

ৰাজ্যৰ ৫ বিধানসভা উপ-নিৰ্বাচনৰ ভোটগণনালৈ মাজত মাত্ৰ এটা দিন। ২৩ নৱেম্বৰৰ পৰা আৰম্ভ হ'ব ভোটগণনা। এই বাতৰিত নিয়মীয়া বাতৰি কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

আহক এতিয়া পুনৰ বাতৰিৰ মাজলৈ ঘূৰি যাও।

০০০০০০০

গোৱাত চলি থকা ৫৫ সংখ্যক ভাৰত আন্তৰ্জাতিক চলচ্চিত্ৰ মহোৎসৱৰ আজি তৃতীয় দিন। গোৱাত উপস্থিত থকা বিশিষ্ট চলচ্চিত্ৰ সমালোচকে নয়ন প্ৰসাদে খন্তেক সময়ৰ আগতে আমালৈ এই প্ৰতিবেদন পঠিয়াইছে।

**-ভইচ-**

ধন্যবাদ নয়ন প্ৰসাদ। চলচ্চিত্ৰ মহোৎসৱৰ পৰৱৰ্তী দিন কেইটাৰ বা-বাতৰি আপোনাৰ পৰা লৈ থাকিম।

০০০০০০০

ভাৰতীয় উদ্যোগপতি গৌতম আদানীৰ বিৰুদ্ধে সৌৰশক্তি ক্ৰয়ৰ ক্ষেত্ৰত উৎকোচ প্ৰদান আৰু প্ৰৱঞ্চনা অভিযোগত আমেৰিকাৰ আইন বিভাগ আৰু দেশখনৰ ছিকিউৰিটী এণ্ড এক্সেঞ্জ কমিছনে অভিযুক্ত কৰাৰ বাতৰিটোক আজি সকলোবোৰ কাকতে প্ৰথম পৃষ্ঠাত মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

এই বাতৰি সংবাদ মাধ্যমত প্ৰকাশ পোৱাৰ পাছতে আদানী গোষ্ঠীৰ শ্বেয়াৰৰ মূল্য যথেষ্ট নিম্নগামী হোৱাৰ বাতৰিকো কাকতসমূহে গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে। বাতৰিটো দা আছাম ট্ৰিবিউন, দৈনিক অসম, আমাৰ অসম, দৈনিক জনমভূমি, নিয়মীয়া বাৰ্তাকে ধৰি গুৱাহাটীৰ পৰা প্ৰকাশিত প্ৰায় আটাইবোৰ বাতৰি কাকতে প্ৰথম পৃষ্ঠাত গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে।

উত্তৰ পশ্চিম পাকিস্তানত বৃহস্পতিবাৰে যাত্ৰী কঢ়িয়াই অনা কেইবাখনো বাহনক উগ্ৰপন্থীয়ে লক্ষ্য কৰি লোৱাত কমেও ৫০ জন লোক নিহত হোৱাৰ লগতে ২০ আহত হয়। এই বাতৰিটো দা আছাম ট্ৰিবিউন কাকতে প্ৰথম পৃষ্ঠাত বক্স বাতৰি হিচাপে প্ৰকাশ কৰিছে।

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই বৃহস্পতিবাৰে লোকসেৱাৰ ভৱনৰ থকা নিজৰ কাৰ্যালয়ৰ পৰা সকলো জিলা উপায়ুক্ত সৈতে ভিডিঅ' কনফাৰেন্স অনুষ্ঠিত কৰাৰ সন্দৰ্ভত এটা বাতৰিক দি ছেণ্টিনেল কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

নগাঁও জিলাৰ কলিয়াবৰত পিঞ্জৰাবদ্ধ কৰা বাঘটোক কলং নৈৰ পাৰত আশ্ৰয় লৈ থকা অৱস্থাত শিলগুটি দলিয়াই বাঘটোক আহত কৰা সন্দৰ্ভত এটা বাতৰি আমাৰ অসম কাকতে মানুহৰ নৃশংসতাত বিপন্ন বন্যপ্ৰাণী ঃ শিল দলিয়াই, ছেল্ফী তুলি বনৰজাক হাৰাশাস্তি শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। একেখন কাকতে ভাৰত আৰু অষ্ট্ৰেলিয়াৰ মাজৰ পাৰ্থত আৰম্ভ হোৱা খেলক লৈ এটা বাতৰিক প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

হিংসাত দগ্ধ মণিপুৰৰ ইম্ফল উপত্যকাত ২৩ নৱেম্বৰ পৰ্যন্ত সকলো বিদ্যালয়, মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয় বন্ধ থকাৰ বাতৰিটো দৈনিক অগ্ৰদূত কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

অসম বিধানসভাৰ আন্তঃগাঁথনিত নতুন আয়তন সংযোগ কৰি নিৰ্মাণ হোৱা নিয়ন্ত্ৰণ কক্ষ, কেফেটেৰিয়া, ডিজিটেল কৰিডৰ ইত্যাদিৰ শুভ উদ্বোধন কৰা বাতৰিটো অসমীয়া খবৰ কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। একেটা বাতৰিকে দৈনিক অসম কাকতে ডিজিটেল ৰূপান্তৰৰ যাত্ৰাত সবল খোজ, মুখ্যমন্ত্ৰী ড০ শৰ্মা শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

ৰাজ্যৰ ৫ বিধানসভা উপ-নিৰ্বাচনৰ ভোটগণনালৈ মাজত মাত্ৰ এটা দিন। ২৩ নৱেম্বৰৰ পুৱা ৮ বজাৰ পৰা আৰম্ভ হ'ব ভোটগণনা। এই বাতৰিত নিয়মীয়া বাতৰি কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

আহক এতিয়া পুনৰ বাতৰিৰ মাজলৈ ঘূৰি যাও।

০০০০০০

শ্ৰোতাসকলে আমাৰ এই বাতৰি আকাশবাণী গুৱাহাটীৰ মিডিয়াম ৱেভৰ চাৰিশ ১১ দশমিক ৫, ২৮৯ দশমিক ৯ মিটাৰ, ডি আৰ এম ফ্ৰিকুৱেঞ্চি এহেজাৰ ২৬ কিলোহাৰ্টজ, এফ এম ৰেঞ্চৰ ১০০ দশমিক ৮ আৰু ১০১ দশমিক ৬ মেগাহাৰ্টজৰ লগতে **ফে'চবুক পেজ-এয়াৰ নিউজ গুৱাহাটী** আৰু **ইউটিউব চেনেল এ আই আৰ নিউজ গুৱাহাটী যোগে লাইভ ষ্ট্ৰিমিঙতো** শুনিবলৈ পাইছে। এই বাতৰি আমাৰ ইউটিউব চেনেল আৰু নিউজ অন এয়াৰ এপতো শুনিব পাৰে। শ্ৰোতাসকলে শেহতীয়া বা-বাতৰিৰ বাবে **এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এইছ ৰাই** আৰু **ইনষ্টাগ্ৰামত এয়াৰ নিউজ_গুৱাহাটী** ফ'ল' কৰিব পাৰে।

০০০০০০০

ভাৰত আৰু অষ্ট্ৰেলিয়াৰ মাজৰ বোৰ্ডাৰ-গাভাস্কাৰ ট্ৰফীৰ বাবে পাঁচখন খেলৰ টেষ্ট শৃংখলাৰ প্ৰথমখন খেল পাৰ্থত আৰম্ভ হৈছে। ভাৰতীয় দলৰ নিয়মীয়া অধিনায়ক ৰোহিত শৰ্মাই ব্যক্তিগত অসুবিধাৰ বাবে প্ৰথম টেষ্টত অংশগ্ৰহণ কৰিব নোৱাৰাৰ বাবে যশপ্ৰীত বুমৰাই দলটোক নেতৃত্ব দিছে। ভাৰতীয় দলৰ আন এগৰাকী আগশাৰীৰ বেটছমেন শুভমন গিলেও আঘাতৰ বাবে প্ৰথম টেষ্টত ভাগ লোৱা নাই। আমালৈ অহা শেহতীয়া বাতৰি অনুসৰি ভাৰতে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ ১২ অভাৰত দুটা উইকেট হেৰুৱাই ১৮ ৰান সংগ্ৰহ কৰি খেলি আছিল। কে এল ৰাহুলে ১২ ৰান কৰি আৰু বিৰাট কোহলি এটাও ৰান নকৰাকৈ ক্ৰিজত আছিল।

২০২৩-২৫ বৰ্ষৰ বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ ফাইনেলৰ পূৰ্বে এয়া ভাৰতৰ অন্তিমটো শৃংখলা হ'ব। মুঠ পাঁচটা দল ফাইনেলৰ দৌৰত আছে। ভাৰতে অন্য দলৰ ফলাফলৰ ওপৰত নিৰ্ভৰ নকৰাকৈ ফাইনেলত স্থান নিশ্চিত কৰিবলৈ হ'লে শৃংখলাত অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে ৪-০ অথবা ৫-০ ফলাফলত জয়ী হ'ব লাগিব।

০০০০০০০

সমাপ্ত